# ২০১৫ হজ যাত্ৰাৰ চুক্তি

৪ ফেব্রুৱাৰী ২০১৫

২০১৫ চনৰ বৰ্ষটোৰ হজ যাত্ৰাৰ (১৪৩৬ এইচ) বাৰ্ষিক চুক্তি স্বাক্ষৰৰ কাৰনে বিদেশমন্ত্ৰী জেনেৰেল (ড:)ভি কে সিঙৰ (অৱসৰ প্ৰাপ্ত)নেতৃত্বত এক প্ৰতনিধিদল ০৩-০২-২০১৫ চৌদী আৰব ভ্ৰমণ কৰে ।মন্ত্ৰী মহোদয় জেদ্দায় হজ বিষয়ক চৌদী মন্ত্ৰী সন্মানীয় ড: বন্দৰ ইবন মুহম্মদ হজ্জাৰৰ সৈতে মিলিত হয় আৰু ২০১৫ বৰ্ষৰ হজ যাত্ৰাৰ ব্যৱস্থাপনা সম্পৰ্কে আলোচনা কৰে ।এই আলোচনাৰ পাছত ভাৰত আৰু চৌদী আৰবৰ মাজত হজ বিষয়ক চুক্তি স্বাক্ষৰিত হয় ।ভাৰতীয় প্ৰতিনিধি দলৰ সদস্য সকলৰ ভিতৰত আছিল ৰাষ্ট্ৰদূত মি: হামিদ আলি ৰাও,ভাৰতৰ হজকমিটিৰ অধক্ষ্য মি:কাইজাৰ শামিম,বিদেশ মন্ত্ৰীনালয়ৰ যুটিয়া সচিব (হজ) মি:অজিত গুপ্তে ,ভাৰতৰ কনচাল জেনেৰেল মি: নূৰ ৰহমান শ্বেখ আৰু অসামৰিক বিমান পৰিবহনৰ প্ৰতিনিধি সকল ।

চৌদীৰ হজ মন্ত্ৰীৰ সৈতে আলোচনাৰ কালত জেনেৰেল ভি কে সিঙে দুটা পবিত্ৰ মছজিদৰ অভিভাৱক ৰাজা আব্দুল্লাৰ বেদনাদায়ক মৃত্যুৰ বাবে গভীৰ শোক প্ৰকাশ কৰে আৰু ৰাজা  চলমান বিন আব্দুল আজিজ শুভকামনা আগবঢ়াই আৰু সন্তোষৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাজা চলমান বিন আব্দুল আজিজৰ(যুৱৰাজ)সৈতে ২০১৪ বৰ্ষৰ ১৬ নভেম্বৰত ব্ৰিজবেনত(অষ্ট্ৰেলিয়া) অনুষ্ঠিত বৈঠকৰ বিষয়ে সন্তোষেৰে স্মৰন কৰে ।

২০১৫ বৰ্ষৰ বাবে ভাৰতৰ হজ কোটা হব ১,৩৬,০২০ ।ইয়াৰ ভিতৰত ভাৰতৰ হজ কমিটিৰ মাধ্যমেৰে এক লাখ তীৰ্থযাত্ৰী আহিব আৰু অৱশিষ্ট  ৩৬,০০০ বেচৰকাৰী ট্যুৰ অপাৰেটৰ সমুহৰ জৰিয়তে আহিব ।মিনাত শীতলতাৰ উপযুক্ত ব্যৱস্থা কৰা,জেদ্দা,মক্কা আৰু মদিনাৰ মাজত তীৰ্থযাত্ৰী সকলৰ যাতায়তৰ সুবিধাৰ বাবে উন্নত

মানৰ বাছৰ ব্যৱস্থা, তীৰ্থযাত্ৰী সকলৰ ক্যাটাৰিঙ ব্যৱস্থা আৰু মালপাত্ৰৰ ষ্ট্যাৰ্ন্ডাডাইজেশান ব্যৱস্থা সহ দুয়োগৰাকী মন্ত্ৰী হজ সম্পৰ্কীয় বিভিন্ন বিষয়সমূহ আলোচনা কৰে ।

নতুন দিল্লী

৪ ফেব্ৰুৱাৰী ২০১৫